Asomiya Khabar

# কানাড়া এইচএছবিচি অৰিয়েণ্টেল বেংক অব কমাৰ্চ লাইফ ইন্সিউৰেন্সৰ স্মাৰ্ট সঞ্চয় প্লেন মুকলি

গুৱাহাটী, ১৩ ছেপ্টেম্বৰ ঃ ভাৰতৰ দুটা অন্যতম বৃহৎ ৰাজহুৱা খণ্ডৰ বেংক প্ৰতিষ্ঠান কানাড়া বেংক তথা অৰিয়েণ্টেল বেংক অৱ কমাৰ্চৰ সৈতে এইচ এছ বি চি ইন্সিউৰেন্স (এছিয়া-পেছিফিক) হ'ল্ডিংছ লিমিটেডৰ যুটীয়া যাত্ৰা স্বৰূপ কানাড়া এইছ এছ বি চি অ'ৰিয়েণ্টল বেংক অৱ কমাৰ্চ লাইফ ইন্সিউৰেন্স কোম্পানী লিমিটেড নামৰ সংস্থাটোৱে আজি নিজৰ স্মাৰ্ট ছ'লিউছনৰ অংশ হিচাপে গ্ৰাহকসকলক উন্নত মূল্য উপলব্ধ কৰোৱা প্ৰ'ডাক্ট উৎপাদনৰ পৰম্পৰা অটুত ৰাখি এক পৰম্পৰাগত সামূহিক সুৰক্ষাৰ লগতে ৰাহি উৎপাদনৰ আৰ্হিতে স্মাৰ্ট সঞ্চয় প্লেন আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। স্মাৰ্ট সঞ্চয় প্লেন বিতৰক বেংকৰ ডিপ'জিট একাউণ্ট হ'ল্ডাৰ সকলৰ বাবে প্ৰস্তুত কৰা হৈছে আৰু ই প্ৰতিষ্ঠানটোৰ বেংক এছিউৰেঞ্চ মডেলৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা হৈছে। এই প্লেন নতুন জমাকৰ্তাসকলৰ লগতে পূৰ্বৰ গ্ৰাহকসকলৰ বাবে উপলব্ধ। নতুন প্লেন আগবঢ়াই কানাড়া এইচ এছ বি চি অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ লাইফ ইন্সিউৰেন্স কোম্পানীৰ সঞ্চালক-ছেলছ, মাৰ্কেটিং এণ্ড প্ৰডাক্টছ মেৰিঅ' পেৰেজ কয় যে কানাড়া এইচ এছ বি চি অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ লাইফ ইন্সিউৰেন্স কোম্পানীৰ সকলো প্ৰডাক্ট গ্ৰাহকৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত প্ৰস্তুত কৰা আৰু এই তথ্য গ্ৰাহক অনুসন্ধানৰ জৰিয়তে উপলব্ধ। বেংকৰ গ্ৰাহকসকলে নিত্যব্যৱহাৰ্য সামগ্ৰীৰ আৱশ্যকতা নিম্নতম বাৰ্ষিক প্ৰিমিয়াৰ মাত্ৰ ৬০০০/- টকাৰ বিনিময়ত লাভ কৰিব পাৰে। ইয়াৰ উপৰিও ই গ্ৰাহকসকলৰ সঞ্চয় তথা সুৰক্ষাৰ আৱশ্যকতাও পূৰণ কৰে।